# অন্ধ্রপ্রদেশত পুনঃ শান্তি ঘূৰাই অনাৰ সময়

দিনাংক- ১৪ ফেব্ৰুৱাৰী ২০১৪

অৰুণ জেটলী

ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

ইউ পি এ চৰকাৰৰ শাসনকাল শেষ হোৱাৰ পথত, তেওঁলোকৰ ব্যৱস্থাৰ ওপৰত বিশ্বাস কমি গৈছে । শেষত ইউ পি এ চৰকাৰে কি এৰি থৈ যাব বিচাৰিছে ? শাসনৰ আগৰ দিনবোৰত প্ৰতিষ্ঠানৰ হ্ৰাস হৈছে, অৰ্থনীতিৰ বিকাশৰ গতি শিথিল হৈছে, দুৰ্নীতিয়ে চৰকাৰী সিদ্ধান্ত লোৱাৰ বিশ্বাসযোগ্যতা হ্ৰাস কৰিছে ।

তেলেংগনা ৰাজ্যৰ গঠনৰ সন্দৰ্ভত ইউ পি এ সম্পূৰ্ণৰূপে ভাঙি পৰিছে । নিজৰ দ'লৰ মাজৰ বিৰোধাভাষ  নিয়ন্ত্ৰণহীন হৈ পৰিছে । সংসদীয় কাৰ্য্যৱাহীত ব্যাঘাত নোহোৱাকে চলোৱাতো বিৰল হৈ পৰিছে । এই ব্যাঘাত বিৰোধী দ'লে কৰা নাই, তেওঁলোকৰ নিজৰ সদস্যৰহে । চৰকাৰ বিশেষকৈ প্ৰধানমন্ত্ৰীৰ কাৰ্য্যালয় আৰু গৃহমন্ত্ৰালয় এই বিষয়টো সমাধান কৰাত সম্পূৰ্ণৰূপে অক্ষম হৈছে ।

এতিয়াও আনকি পলম হোৱা নাই । তেওঁলোকে বৃহৎ সৰ্বসন্মতি বিষয় যেনে, সীমানধ্ৰাৰ ৰাজধানী সৃষ্টি কৰা, সীমানধ্ৰাৰ বাবে বেলেগকৈ উচ্চ ন্যায়লয়ৰ সৃষ্টি, বিভাজনৰ ফলত হোৱা ৰাজস্বৰ লোকচান ক্ষতিপূৰণ, অঞ্চলত জল আৰু শক্তিৰ পূৰ্ত্তি কৰা আদি বিভ্ন্ন বিষয় সমাধান কৰাৰ বাবে একগোট হৈ কাম কৰিব লাগিব । এন ডি এ য়ে নিজৰ শাসন কালত ঝাৰখণ্ড, উত্তৰাখণ্ড, চত্তীশগড় সৃষ্টি কৰোতে এই সকলো বিষয় সৌহাৰ্য্যপূৰ্ণ মীমাংসা কৰিছিল । বৃহস্পতিবাৰে সংসদৰ মজিয়াত সৃষ্টি কৰা অপ্ৰিয় দৃশ্য হয়তো ইউপিএ চৰকাৰেহে প্ৰচাৰিত কৰিছিল । সংসদীয় কাৰ্য্যৱাহী ব্যাঘাত জন্মোৱা বহুতো সদস্য ইউপিএ ৰ সৈতে জড়িত । তেলেংগনা আৰু সীমানধ্ৰাৰ প্ৰতিনিধিৰ মাজত ভেদা-ভেদ নোহোৱা কৰাৰ কোনো পদক্ষেপ লোৱা হোৱা নাই । চৰকাৰে মীমাংসা কৰাৰ ফ'ৰামো তৈয়াৰ কৰা নাই । দুই অঞ্চলৰ আশা সংসদে বিচাৰ কৰাত অক্ষম হৈছে । ইয়াৰ কাৰণে ভাৰতীয় গণতান্ত্ৰিক ব্যৱস্থাৰো বেয়া নাম হোৱা দেখা গৈছে । সংসদত যি হৈ আছে, ইয়াৰ ফলত ৰাজনীতিবিদৰ বেয়া প্ৰতিচ্ছবি পৰিলক্ষিত হৈছে । তেলেংগনা আৰু সীমানধ্ৰাৰ লোকে ভাৱে যে তেওঁলোকৰ লগত অন্যায় হৈছে । ইউ পি এ চৰকাৰে শাসনৰ পৰা বিৰতি লৈছে । আনকি এতিয়াও তেওঁলোকে সংসদৰ বাহিৰত বা ভিতৰত এটি ফ'ৰাম গঠন কৰিব পাৰে, যিয়ে তেলেংগনা ৰাজ্য সৃষ্টি কৰাৰ লগতে সীমানধ্ৰা অঞ্চলৰ বৈধ চিন্তা মীমাংসা কৰিব।